| | | | |
|---|---|---|---|
| <?xml version="1.0" ?> | | | |
| <?xml-stylesheet type="text/css" href="home.css"?> | | | |
| <Doc id="ass-w-media- | AS00099 | " | lang="Assamese"> |
| <Header type="text"> | | | |
| <encodingDesc> | | | |
| <projectDesc> | CIIL- Assamese Corpora, Monolingual Written Text | | </projectDesc> |
| <samplingDesc> | Simple written text only has been transcribed. Diagrams, pictures, tables and verses have been omitted. Samples taken from page 4-5, 10-11, 14-15, 16-17, 20-21, 24-25, 30-31, 34-35, 40-41, 44-45, 50-51, 54-55, 60-61, 64-65, 70-71, 74-75, 80-81 | | </samplingDesc> |
| </encodingDesc> | | | |
| <sourceDesc><biblStruct> <source> | | J.B. College Library | |
| | <category> | Aesthetics | </category> |
| | <subcategory> | Literature-Biography | </subcategory> |
| | <text> | Book | </text> |
| | <title> | lokapriYa gopInAtha baradalai | </title> |
| | <vol> | | </vol> |
| | <issue> | | </issue> |
| </source> | | | |
| <textDes> | | | |
| | <type> | | </type> |
| | <headline> | lokapriYa baradalai | </headline> |
| | <author> | citra mahanta | </author> |
| | <words> | 2823 | </words> |
| </textDes> | | | |
| <imprint> | | | |
| | <pubPlace> | Guwahati-Panbazar | </pubPlace> |
| | <publisher> | laYArcha buka STala | </publisher> |
| | <pubDate> | 1991 | </pubDate> |
| </imprint> | | | |
| <idno type="CIIL code"> | | | </idno> |
| <index> | | AS00099 | </index> |
| </biblStruct></sourceDesc> | | | |
| <profileDesc><creation> | | | |
| | <date> | 20-Feb-2009 | </date> |
| | <inputter> | Rina Sarkar | </inputter> |
| | <proof> | Chuchen Dutta | </proof> |
| </creation> | | | |

| | | |
|---|---|---|
| <langUsage> | **Assamese** | </langUsage> |
| <wsdUsage> | | |
| <writingSystem id="ISO/IEC 10646">Universal Multiple-Octet Coded Character Set (UCS).</writingSystem> | | |
| </wsdUsage> | | |
| <textClass> | | |
| <channel mode="w"> | print | </channel> |
| <domain type="public"> | | </domain> |
| </textClass></profileDesc></Header> | | |
| <text><body> | | |
| <p> | ‘নানা বাধা-বিঘিনিৰ মাজেৰে তেওঁ বেৰিষ্টাৰী পঢ়ি অঁতালে। পঢ়াৰ সমাপ্তিৰ পিছত তেওঁ ভাৰত পালে। কিছুদিন ইয়াতে ওকালতি কৰাৰ পিছত বিশেষ এটা পৰিস্থিতিত পৰি দক্ষিণ আফ্ৰিকাৰ ভাৰতীয় ব্যৱসায়ী এজনৰ মকৰ্দমাত ওকালতি কৰিবলৈ বুলি তেওঁ আফ্ৰিকা পালেগৈ। আফ্ৰিকাৰ মাটিত ভৰি দিয়ে তেওঁ আচৰিত হৈ পৰিল- তাত ভাৰতীয় আৰু স্থানীয় মানুহবোৰৰ ওপৰত অৰ্থাৎ ক’লাৰ ওপৰত বগা মানুহৰ অত্যাচাৰ দেখি। তেওঁ মৰ্মাহত হ’ল। ৰেলৰ ওপৰ শ্ৰেণী ক’লা মানুহৰ বাবে ঠাই নাই; ঘোড়া-গাড়ীত ক’লা মানুহ উঠাটোৱে অপৰাধ। আনকি চৰকাৰী আলিৰেও ক’লা মানুহ গ’লে জগৰ। পাগুৰি মাৰি যোৱা ভাৰতীয় মানুহে বগা চাহাবৰ সম্মুখত পাগুৰি খুলি ল’ব লাগে।- এনেবিলাক কু-কাণ্ডৰ সম্মুখত কিন্তু আমাৰ ডেকা বেৰিষ্টাৰে সেও নামানিলে। প্ৰতিটি নিষেধ কাৰ্য্যকেও তেওঁ কৰি গ’ল। ফলত পালে কি? চৰ, ভুকু আৰু নানা অন্যায় অত্যাচাৰ; লাঠিৰ কোব; শিলগুটি, চৌদা-পানীৰ বটল আৰু ঘোলা কণীৰ দলি! সকলোকে তেওঁ জাগাই তুলিলে। ভাৰতীয়বোৰ যেন তাত বলিয়া কুকুৰহে! সকলোৰে শেহত চলালে সত্যাগ্ৰহ আন্দেলন। সত্যাগ্ৰহ আকৌ বুজিছনে? সত্য পথত থাকি অহিংস উপায়েৰে কৰা আন্দোলনকে সত্যাগ্ৰহ বোলে। কেইবাবাৰো তেওঁ আন্দোলন চলালে। কৃতকাৰ্য্যও হ’ল। বগা চৰকাৰ এদিন ক’লাৰ দাবী মানি লবলৈ বাধ্য হৈ পৰিল। | </p> |
| <p> | “অৱস্থাহীন পৰিয়ালটোৰ ল’ৰা গোপীনাথে ঘৰৰ যাৱতীয় কামতো সহায় কৰিব লাগিছিল। এনেকি ধানবনা কামতো তেওঁ লাগি ভাগি দিছিল।- এইদৰে বৰদলৈৰ জীৱনৰ প্ৰথম ডোখৰ কাল বৰ অভাব-অনাটনৰ | </p> |

| | | |
|---|---|---|
| | মাজত কটাবলগীয়া হৈছিল। কোনোমতেহে বাপেকে ভালেমান ল’ৰা-ছোৱালীৰ পোহাপাল দিব পাৰিছিল। হ’লেও তেওঁৰ মন আছিল স্বাৱলম্বী ভাবৰ। ফলদায়ক খেতি-বাতিৰ প্ৰতি তেওঁ ইমানেই আকৃষ্ট আছিল যে মুখ্যমন্ত্ৰী হৈ থকা কালতো সুযোগ বুজি বাৰীৰ চুকে কোণে শাক-পাচলিৰ খেতি কৰিছিল আৰু নিজৰ ল’ৰা-ছোৱালীকো তেনে কামৰ প্ৰতি উৎসাহ দিছিল।” | |
| <p> | “বৰদলৈৰ জীৱনক সৰু-কালৰেপৰা বুদ্ধদেৱে বৰকৈ অনুপ্ৰাণিত কৰিছিল যেন লাগে। অন্যান্য মহাপুৰুষ সকলৰ সম্পৰ্কেও তেওঁ গভীৰ ভাবে অধ্যয়ন কৰিছিল আৰু দেশৰ শিশুহঁতক তেওঁলোকৰ আদৰ্শেৰে গঢ়িবলৈ বুলি সেইবোৰ সৰল জীৱনী গ্ৰন্থত লিপিবদ্ধও কৰিছিল।” | </p> |
| <p> | “১৯২০ চনত লালা লাজপত ৰায়ৰ সভাপতিত্বত কলিকতাত বহা ৰাষ্ট্ৰীয় কংগ্ৰেছৰ সভাত তেওঁ পোন প্ৰথম যোগদান কৰে আৰু তাৰ দ্বাৰা তেওঁ এনেকৈ প্ৰভাৱান্বিত হয় যে অসমৰ একমাত্ৰ বৃহৎ ৰাজনৈতিক অনুষ্ঠান অসম এছোচিয়েছনক কৰ্মবীৰৰে লগ-লাগি কংগ্ৰেছৰ লগত লগ লগোৱাৰ চেষ্টা কৰি কৃতকাৰ্য্যতা লাভ কৰে।” | </p> |
| <p> | “আইতা, অসমতো এই আন্দোলন নহৈছিল জানো? কুশল কোঁৱৰ, কনকলতাৰ কথা দেখোন তই নকলিয়েই।” | </p> |
| <p> | “কুশল কনকহে নে বোপাই! কিমান হাজাৰে বিজাৰে দেশৰ ডেকা-গাভৰুৰ জীৱ সেইদিনা গুলীৰ আগত উফৰি পৰিল। কিমান বোৰ ঘূণীয়া হ’ল আৰু কিমান জনমলৈ অকৰ্মণ্য হৈ ৰ’ল- কিমানৰ ফাঁচী হ’ল- কোনে হিচাব ৰাখিছে সোণ!” | </p> |
| <p> | “অসমৰে কথা কলপ শুনচোঁন। বৰদলৈ, মেধি আদি ফাটেকলৈ গ’ল। নামি পৰিল মহাত্মাৰ মহামন্ত্ৰ উচ্চাৰি হাজাৰ হাজাৰ জনতা। ফাটেকত ঠাইৰ নাটনি হ’ল। গোহালিত গৰু ৰখাদি এই সকলক জেলতে ৰাখিলে। তথাপিও আন্দোলনে শাম নাকাটিলে। বৃটিছ-ৰাজৰ বায়ু চৰিল। বলিয়াৰ দৰে যাকে য’তে পাই বিনা দোষে বা দোষ-গুণ বিচাৰ নকৰাকৈ গুলিয়াই মাৰিবলৈ ধৰিলে। যধে মধে ৰাইজৰ ওপৰত পাইকাৰী জৰিমনা লগালে। পাইকাৰী জৰিমনা নিদিয়াৰ আচিলাত গোৱালপাৰাৰ নিধন | </p> |

| | | |
|---|---|---|
| | ৰাজবংশীক কেনেকৈ খুচি খুচি মাৰিলে- দেহি ঐ! সেইবোৰ কথা শুনিলে সোণ, হিয়া ফাটি যাব খোজে। বজালীৰ মদন বৰ্মণ আৰু ৰাউতা কোঁচক যেনেকৈ ৰাজ-আলিত জিৰণি লৈ থকা অৱস্থাত গুলিয়াই মাৰিলে- তাৰ বৰ্ণনা কি দিম সোণ! ঢেকীয়াজুলিৰ হাটলৈ অহা হাজাৰ হাজাৰ গঞাৰ ওপৰত কৰা অকথনীয় অত্যাচাৰ, মানৰ উপদ্ৰৱতকৈনো কোনগুণে কম আছিল! গৰ্ভৱতী তিৰোতাকো গুলিয়াই মাৰি পশুইঁতে প্ৰভুভক্তি দেখুৱাইছিল।” | |
| <p> | “আকৌ এদিনৰ কথা। বৰহমপুৰ কংগ্ৰেছ অফিছত এটা ভোজৰ আয়োজন চলিছে। উদ্দেশ্য- সেই ভোজ সভাতে বহি ভৱিষ্যত সংগ্ৰামথনৰ আঁচনি এখন তৈয়াৰ কৰা হ’ব। হাজাৰ হাজাৰ ডেকা, বুঢ়া, গাভৰু কংগ্ৰেছ ভৱন বুলি যাবলৈ ধৰিছে। সকলোৰে মুখত এটা কঠোৰতা, মনত এটা প্ৰফুল্লতা- যে ইবাৰ আমাৰ দেশৰপৰা বগা-বঙালহঁতক সিপাৰ কৰিম। প্ৰভুভক্ত গোলামহঁতৰ চকু থিৰ হ’ল। আলেখ-লেখ চাই পুলিচ-মিলিটাৰীৰ মটৰেও পিছ ল’লে। জাতীয় সঙ্গীত গাই থকাসকলক গীত বন্ধ কৰিবলৈ আদেশ দিলে। কিছুমান ছোৱালীয়ে হাতত পতাকা লৈ গীত গাই আছিল। মিলিটাৰী-পুলিচহঁত সেই জাতীয়-পতাকা কাঢ়ি লবলৈ উদ্যত হৈ আৰু টনা-আজোৰা লগায়। এনে কথা বুঢ়ী ভোগেশ্বৰীয়ে হলে সহিব নোৱাৰিলে। গাভৰু পদ্মাৰ হাতৰপৰা নি পতাকাখন নিজ হাতত ল’লে। বুঢ়ীৰ হাতৰপৰা পতাকা কাঢ়ি নিব খোজাৰ লগে লগে বুঢ়ীয়ে চাহাবৰ মূৰত শোধালে মাধ’মাৰ। লগে লগে নিৰ্মম পশুহঁতৰ বন্দুকৰ গুলীত বুঢ়ী বাগৰি পৰিল। বুঢ়ীয়ে জাতীয় পতাকা বুকুত বান্ধি লৈ কাললৈ বিদায় মাগিলে। বৰহমপুৰৰ আৰু এটা ঘটনা। লক্ষ্মী সূত আদিক যেতিয়া সভ্যতাৰ নিচান উৰুৱা বৃটিছৰ বন্দুকৰ গুলীয়ে কাললৈ বিদায় দিলে- তেতিয়া লক্ষ্মীয়ে জেপত থকা দুটা পইছাকে দেশৰ স্বাধীনতা যুঁজৰ বাবে দান দি গ’ল। কি মহান! এইদৰে অকল নগাৱঁতে যে কি বিদ্ৰোহ নচলিল! কামপুৰৰ ঘটনাবিলাক আজিও অজানা হৈয়ে আছে। সি এতিয়াও প্ৰকাশ পোৱা নাই।” | </p> |
| <p> | “গুইডালু আকৌ কোন আইতা?” | </p> |

| | | |
|---|---|---|
| <p> | “তেৱোঁ অসমী আইৰে এগৰাকী বীৰাঙ্গনা নগা-জীয়ৰী সোণ।” | </p> |
| <p> | “গুইডালু নগা পাহাৰৰ এখন ভিতৰুৱা গাৱঁৰ জেলিয়াং নগা ফৈদৰ ছোৱালী। ১৯৩২ চনত যেতিয়া মহাত্মা গান্ধীৰ অসহযোগ আন্দোলনৰ ধ্বনি দেশৰ ইমূৰ-সিমূৰ ছানি গৈছিল- মহামানৱৰ সেই মহাবাণী তেওঁৰ কাণতো পৰিছিল। মনতে ভাবিছিল- নগা পৰ্বতৰ পৰা বৃটিছহঁতক খেদি পঠিয়াব লাগিব। তেওঁ আছিল পুৰোহিত বংশৰ ছোৱালী। গতিকে ভগৱানৰ পূজাত লাগক বুলিয়ে হয়তো ভালেমান বগা চাহাবক বলি দিয়াই পৰাধীনতাৰ যুৱঁলিখন কান্ধৰপৰা পেলাই দিবলৈ মানুহক কৈ ফুৰিছিল। তেওঁৰ বুজনিত দেশভাই সকল জাগ্ৰত হৈ উঠিল।” | </p> |
| <p> | “১৯৩৫ চনত হত্যাৰ ষড়যন্ত্ৰত লিপ্ত বুলি তেওঁক ইংৰাজ চৰকাৰে বন্দী কৰি আনে। মণিপুৰৰ আদালতে বিচাৰ কৰি তেওঁক আজীৱন ফাটেক দিয়ে। তেওঁক বন্দী কৰি নিবৰ সময়ত যেতিয়া হাজাৰ বিজাৰ জনতাই জোৰ কৰি তেওঁক উদ্ধাৰ কৰিবলৈ গৈছিল- তেতিয়া তেওঁ কৈছিল- ‘তোমালোক যোৱাগৈ- মই আকৌ ঘূৰি আহিম। মই ঘূৰি আহি মহাত্মা গান্ধী আৰু নেহৰুজীৰ লগত এইবিলাক কথা হ’ম।’ আৰু এবাৰ তেওঁ কৈছিল- ‘আমাৰ আন্দোলন নগা পাহাৰৰপৰা বৃটিছক খেদা। তাৰ পিছত মই গৈ মহাত্মাক লগ ধৰিম। কিন্তু জনা নাছিল তেওঁৰ জীৱন-যৌৱন কাৰাগাৰৰ ভিতৰতে তিলতিলকৈ শেহ হৈ যাব বুলি। | </p> |
| <p> | “ইমান চেঙেৰাটো হ’লি এইবোৰ কথানো আজিলৈ নাজাননে সোণ? শুন বাৰু। ১৯৪৬ চনৰ কথা। ভাৰতৰ চাৰিওফালে আকৌ আন্দোলনৰ নতুন সুঁতি বৈ অহিল। এই আন্দোলন সমূহত প্ৰেৰণা যোগালে পাতকাইৰ সিপাৰৰ পৰা অসমৰ কহিমাত স্বাধীন ভাৰতৰ ৰাষ্ট্ৰীয় পতাকা তোলা নেতাজী সুভাষচন্দ্ৰৰ আদৰ্শই। ইপিনে বোম্বাইত নৌ-সৈন্যবোৰে বিদ্ৰোহ আৰম্ভ কৰি দিলে। পুলিচ বিদ্ৰোহ আৰম্ভ হ’ল। এনেতে আজাদ হিন্দ ফৌজৰ ছাহনাৱাজ খান, চাইগল, ধীলন আদিক যেতিয়া যুদ্ধাপৰাধী সাজি ফাঁচী দিবৰ হুকুম হ’ল- তেতিয়াই দেশৰ ইমূৰৰ পৰা সিমূৰলৈ প্ৰতিবাদ বাধাই ৰজন জনাই গ’ল। কলিকাতা, বোম্বাই আদিত জুমে জুমে ডেকাহঁতৰ তেজ বৈ গ’ল। চাৰিওফালে কেৱল বিদ্ৰোহ, কেৱল | </p> |

| | | |
|---|---|---|
| | অশান্তি। বৃটিছ-ৰাজৰ বন্দুক বেয়নেটে হাৰ মানিলে। ৪০ কোটি ভাৰতীয়কনো বন্দুক বেয়নেটেৰে আৰু কিমান শ বছৰ সেও মনাব? উপায়হীন হৈ বৃটিছ চৰকাৰে এটা মন্ত্ৰীদল ভাৰতলৈ লণ্ডনৰ পৰা পঠিয়াই দিলে- ভাৰতৰ লগত আপোচ-মীমাংসা এটা কৰি কিছু পৰিমাণে পালসৰা বিধৰ স্বাধীনতা দিবৰ বাবে। কিন্তু বৃটিছ চৰকাৰে এইবাৰ ভাৰতীয় জনতাক কল দি ভুৰুকাব নোৱাৰিলে। তেওঁলোকৰ চাতুৰীয়ে কাম নিদিলে। শেহত কূটনীতিৰ চূড়ান্ত বৃটিছ চৰকাৰে ভাৰতীয় জনসাধাৰণৰ মাজত যাতে কিছুমান অনৈক্যৰ বীজ সিঁচি থৈ যাব পাৰে তাৰে ব্যৱস্থা কৰিবলৈ পাঙিলে। | |
| <p> | “অসমৰ প্ৰাণৰ কথা আৰু বৰদলৈৰ কথাই আন এজন নেতাৰ মন আকৰ্ষণ কৰিলে। তেওঁ ডাঃ ৰাজেন্দ্ৰপ্ৰসাদ। তেওঁ বৰদলৈৰ মুখৰপৰা আদ্যোপান্ত গোটেই কথাবোৰ বুজি লৈ ভাৰতীয় নেতাবোৰে যে কি ভুল কৰি আছে- তাক হৃদঙ্গম কৰিবলৈ বৰদলৈৰ পৰাই সক্ষম হ’ল। ডাঃ ৰাজেন্দ্ৰপ্ৰসাদে এই কথালৈ নেহৰু আৰু আন আন নেতাৰ দৃষ্টি আকৰ্ষণ কৰে। যদিও শেষ পৰ্য্যন্ত জৱাহৰলাল নেহৰু আদিয়ে অসমৰ হৈ নেমাতিলে তথাপি তেওঁলোকে নিজৰ ভুল অনুভৱ কৰিব পাৰিলে। এশ্ৰেণী নেতাৰ প্ৰাণত বিবেচনা শক্তি কিছু আহিল। দুখৰ দিনত কুকুৰেও বাট এৰি নিদিয়াৰ দৰে অকলশৰীয়া অসমীয়াৰ সেইদিনা কোনো লগ নোলাল! ভাৰতৰ সিমূৰে মাথোন এগৰাকীয়ে মাজে মাজে চিঞৰী আছিল- তেওঁ সীমান্ত গান্ধী গফুৰ খান।” | </p> |
| <p> | “আইতা, গফুৰ খানক সীমান্ত গান্ধী কিয় বোলে? এনেয়ে গান্ধী নোবোলে কিয়? তেওঁ মহাত্মা গান্ধীৰ কি হয় বাৰু?” | </p> |
| <p> | “ওহো, একো নহয়। মহাত্মা গান্ধী আৰু সীমান্ত গান্ধী দুজন বেলেগ মানুহ। এজন হিন্দু, আনজন মুছলমান।” | </p> |
| <p> | “তেনেহলে গান্ধী কিয় বোলে আইতা?” | </p> |
| <p> | “বাৰু কওঁ ৰ’-তেওঁৰ জীৱনটোৰ বিষয় তোক অলপ আভাস দিম, মনে মনে শুনি যাবি।” | </p> |
| <p> | “অকল সেয়ে জানো? মন্ত্ৰী-মণ্ডলীৰ আগত বঙ্গৰ কিৰণশঙ্কৰ ৰায়ে মন্ত্ৰী- | </p> |

| | | |
|---|---|---|
| | মিছনৰ প্ৰস্তাৱটোত সন্মতিতো দিলেই, তাৰোপৰি অসমৰপৰা ছিলেট জিলাখন ফালি নিবলৈ কৈয়ে নেৰিলে- কাছাৰ আৰু গোৱালপাৰাকো বঙ্গৰ লগত চামিল কৰিবলৈ কোৱা হ’ল। এটা চামে তাতোকৈ বেছি নগাওঁ আৰু বৰপেটালৈও হাত মেলিলে। গতিকে সেই সময়ত বঙ্গৰ হিন্দু-মুছলমান, কংগ্ৰেছ-লীগ ভাষিক আৰু সাম্প্ৰদায়িক উন্মাদনাত এক হৈ গ’ল। অসমৰ বুকুতে থাকি ছিলেটৰ এমুঠিমান নেতা-জমীদাৰে বৰদলৈৰ বিৰুদ্ধে তথা অসমৰ বিৰুদ্ধে এটা আন্দোলন গঢ়ি তুলিবৰ চেষ্টা কৰিলে। ইয়াতে অসমৰ আন অংশৰো খাই-পাত-ফলা দল এটাই সহযোগ কৰিলে। তেওঁলোকে শেহৰ ফালে অসমক ‘বেনামী পাকিস্তান’ত সুমুৱাবলৈ যত্ন কৰিলে। নোৱাৰিলেও ওপৰোক্ত জিলা কিখনকে বঙ্গৰ লগত চামিল কৰিবলৈ আৰু তাকো নোৱাৰিলে সেই জিলাকিখন আৰু অসমৰ পাৰ্বত্য অঞ্চলক লৈ এখন ন প্ৰদেশ গঢ়াৰ বাবে মন মেলিলে। সমষ্টি বিদ্ৰোহৰ আগতে কিৰণশঙ্কৰৰ এই ষড়যন্ত্ৰৰ বিৰুদ্ধে অসম জাগি উঠিল।” | |
| <p> | “মুঠতে অসমে চাৰিওফালৰপৰা কেৱল হতাশাৰ বাণী পায়ো হতাশ নহ’ল। শেহৰ ফালে ৺শৰতচন্দ্ৰ বসু আদি দুই এজন দূৰদৰ্শী নেতায়ো মন্ত্ৰী-মণ্ডলীৰ প্ৰস্তাৱৰ বিৰোধিতা কৰিবলৈ ধৰিলে। - সৰ্বশেষত লৌহ-মানৱ চৰ্দাৰ পেটেলৰ অকুণ্ঠিত সমৰ্থন বৰদলৈয়ে লাভ কৰিলে।” | </p> |
| <p> | “১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতে স্বাধীনতা লাভ কৰে। স্বাধীন ভাৰতত অসমৰ প্ৰথম মুখ্য-মন্ত্ৰী ৰূপে বৰদলৈয়ে নতুন অসম গঢ়াৰ পথত আগবাঢ়ে। বৰদলৈৰ অন্তৰে সদায় জনজাতি ভাইসকলক বুকুৰ মাজত বিচাৰিছিল। ইংৰাজে বিভেদৰ ভাব সিঁচি থৈ যোৱা পাহাৰী ভাইসকলক কেনেকৈ আমাৰ ভৈয়ামৰ ভাই সকলৰ মাজলৈ আনি সমান খোজেৰে গোটেই অসমে আগবাঢ়িব পাৰে তাৰ চেষ্টা কৰিবলৈ ধৰে। ঠক্কৰ বাপা আদিৰ যত্নত তেওঁ সেই কামত আগবাঢ়ি যাবলৈ সুবিধা পায়।” | </p> |
| <p> | “তেওঁৰ পৰামৰ্শ মতে জনজাতীয় লোকৰ আচাৰ-বিচাৰ আদি ৰক্ষা তথা নিজা পদ্ধতিৰে শাসন আৰু বিচাৰ আদি চলাবলৈ সুবিধা দিয়াৰ উদ্দেশ্য | </p> |

| | | |
|---|---|---|
| | ভাৰত চৰকাৰে পাতি দিয়া জনজাতি কমিটীৰ তেওঁ চেয়াৰমেন নিৰ্বাচিত হয়। আজিৰ যি জিলা পৰিষদ সি বৰদলৈৰ যত্নৰ ফল মাথোন। যদিও আজি এই জিলা পৰিষদবোৰ পিছৰ শাসকসকলৰ অবিবেচক ব্যৱস্থাৰ ফলত অসমৰ বাবে অভিশাপ স্বৰূপ হৈ পৰিল- তথাপি বৰদলৈৰ এই প্ৰচেষ্টা আছিল এক ঐতিহাসিক প্ৰচেষ্টা।” | |
| <p> | “মহাত্মা গান্ধীয়ে ক’লে- ‘এই বিষয়ে ভাবিবৰ মোৰ একো নাই। মই সকলো কথা খাটাং ভাৱে থিৰ কৰি থৈছোঁ। বৰদলৈক মই কৈছোঁ- কংগ্ৰেছে পোনপটীয়া বাট দেখুৱাব নোৱাৰিলে অসমে সমষ্টি বা শাখা ক’তো যোগ দিয়া অনুচিত। ইয়াৰ বিৰুদ্ধে অসমে গণ-পৰিষদ বৰ্জন কৰিব লাগিব।..... এই সময়ত অসম মনে মনে থাকিলে সকলো নাশ হব। অসমৰ ইচ্ছাৰ বিৰুদ্ধে কোনেও অসমক একো কৰাব নোৱাৰে। স্বতন্তৰীয়া গোট হিচাবে অসমে অকলে হ’লেও থিয় দিব লাগিব। আজিও অসম ভালেখিনি স্বতন্তৰীয়া। আপোনালোকৰ সেই অনুপাতে সহ-পিত আছে নে নাই ক’ব নেৱাৰোঁ- আপোনালোকেহে জানে। যদি কংগ্ৰেছে এইবিলাক গ্ৰহণ কৰে- তেনেহ’লে আপোনালোকে ক’ব- ‘ডাঙৰীয়াসকল, অসম আঁতৰি আহিলোঁ।’ আমাৰ মাজত থকা দাসসুলভ মনোবৃত্তিৰ বাবেই ভবা হয় যে এনে কৰিলে কিবা অন্যায় কৰা হ’ব। তেনেকৈ ভবা অনুচিত। অন্যায় কাৰেয়েই সহিব নোৱাৰি।” | </p> |
| <p> | “ভাৰতৰ স্বাধীনতাৰ এইটোৱে ঘাই কথা। মই আশাকৰোঁ অসমে এইভাৱে ভাৰতক বাট দেখুৱাব। আপোনালোক ভাৰতৰ স্বাধীনতাৰ বাটত হেঙাৰ বুলি যিসকলে কয়- মই ক’ব নোৱাৰোঁ অসম আঁতৰি আহিলে ভাৰতৰ স্বাধীনতাত কি বিধি-পথালি দিয়া হয়? মোৰ মনেৰে ই ভাৰতৰ স্বাধীনতাৰ পথ-প্ৰদৰ্শক হে হ’ব। মই ক’ব লাগিছোঁ- মোৰ চাৰিওফালে কেৱল এন্ধাৰ, এন্ধাৰ।” | </p> |
| <p> | “বৰদলৈৰ সমস্ত কৰ্মৰ ওপৰত গান্ধীজীৰ প্ৰভাৱ এইদৰে স্পষ্টভাৱে পৰিছিল। সেই বাবেই বৰদলৈয়ে যেতিয়া গান্ধীজীৰ মৃত্যুৰ বাতৰি পায়, শোকত বিহ্বল হৈ কথা ক’ব নোৱাৰা হৈ পৰে।-“ই এটা ডাঙৰ ক্ষতি। কিন্তু মোৰ কাৰণে ই পিতৃ বিয়োগতকৈও বেছি শোকাবহ। মই ব্যক্তিগত | </p> |

| | | |
|---|---|---|
| | ভাবে অনুভৱ কৰিছোঁ যে ২৮ বছৰ আগেয়ে তেওঁৰ উপদেশ বাণীৰপৰা অনুপ্ৰেৰণা নোপোৱা হ'লে মই আজি যেনে অৱস্থাত আছোঁ তেনে নহলোঁহেঁতেন। অসমৰ পক্ষে ই ডাঙৰ ক্ষতি। অসম যেতিয়াই বিপদ আপাদত পৰিছে- তেতিয়াই গান্ধীজীয়ে অসমৰ পক্ষে থিয় দি আহিছে। জগতে তেওঁক শ্ৰেষ্ঠ লোক হিচাবে মান্য কৰিছে- কিন্তু মোৰ কাৰণে তেওঁ তাতোকৈ শ্ৰেষ্ঠ, তাতোকৈ মহৎ। আজি আৰু কথা কোৱাৰ সময় নহয়- আজি তেওঁৰ আদৰ্শ অনুসৰি দেশৰ মহান বিকাশৰ অৰ্থে কাম কৰি যাব লাগে। আমি মানুহক মানুহ হিচাবে ভাল পাবলৈ শিকা নাই বাবেই এনে এটা অবৰ্ণনীয় ঘটনা হ'বলৈ পালে। সংকটৰ সময়ত বাপু আমাৰ সাৰথি আৰু উপদেশক আছিল। তেওঁৰ মৃত্যুত অসম আজি আটাইতকৈ দুখীয়া হ'ল।” | |
| <p> | “আইতা, বৰদলৈজনৰ মৃত্যুৰ বয়স হোৱা নাছিল জানো?” | </p> |
| <p> | “কিনো কৱ অ' তই? সিদিনা মাথোন ষাঠি বছৰ হৈছিল। হ'ল কি হ'ল ষাঠি বছৰ- গায়ে গোটে মানুহজন দেখিলে আমাৰ পৰ্বতীয়া ‘গাম’ একোজনলৈ মনত পৰে। কি যে নোদোকা পুৰুষটো! চিন্তাশীল মুখখনৰ মাজত হাঁহিটো কেনেযে লাগিছিল- যেন মৰুভূমিৰ মাজৰ পাৰিজাত এপাহহে। কোনোবা এজনে কোৱাৰ দৰে বোলে অসমৰ চিন-স্বৰূপে আমি তিনিটা বস্তু আনৰ সন্মুখত দাঙি ধৰিব পাৰোঁ- বৰজাপি, বৰ-শৰাই আৰু বৰদলৈ। আচলতে বৰদলৈ নে বৰদলৈ! সভাৰ মঞ্চত উঠি যেতিয়া গুৰুগম্ভীৰ মাতেৰে কথা আৰম্ভ কৰিব- এনে লাগে যেন ধুনীয়া বিজুলীৰ মাজৰ কঠোৰ গাজনিহে।” | </p> |
| <p> | “হাতৰ কামৰ প্ৰতি তেওঁৰ ঘৃণা নাছিল। তেওঁৰ ঘৰৰ চৌদিশে শাক-পাচলিৰ বাগিছা পাতিছিল আৰু পিছৰ কৰ্ম-ব্যস্ত জীৱনৰ মাজতো কণমান সময় উলিয়াই হ'লেও কোদাল হাতত লৈছিল।” | </p> |
| <p> | “খোৱা-লোৱা বস্তুৰ ভিতৰতো কিছুমান বস্তু তেওঁৰ বৰ প্ৰিয় আছিল। ৰহৰ দাইল, আলু ভজা, উহুৱা আলু, কাঠ আলু, তেওঁৰ অতি প্ৰিয়। পকা কঠালৰ গোন্ধকে কিন্তু সহিব নোৱাৰিছিল। ঔটেঙা তেওঁৰ অপ্ৰিয় আছিল। ভাটৌ আৰু পাৰচৰাই পোহাটো তেওঁৰ ডাঙৰ চখ আছিল। এটা | </p> |

| | | |
|---|---|---|
| | ভাটৌৰ কাৰণে তেওঁ কেইবা সাজো ভাত-পানী এৰিব পাৰিছিল। এনেদৰে তেওঁৰ ঘৰুৱা সৰু সৰু বহুবোৰ কথাই আমাৰ মনলৈ আহে।” | |
| <p> | “বৰদলৈৰ জীৱনত আৰু এগৰাকী সাধাৰণ নাৰীৰ অসাধাৰণ প্ৰভাৱ মন কৰিব লগীয়া। এই গৰাকী নাৰী আছিল পুৰীবাই। পুৰীবাইক একপ্ৰকাৰ যৌতুকত পোৱা বুলি ক’ব পাৰি। কইনাৰ লগতে পুৰীবাই আহিছিল লিগিৰী হিচাপে। সেই সময়ত পুৰীবাই এগৰাকী তেজৰঙা গাভৰু আছিল। তেওঁৰ বিয়াও হৈছিল। কিন্তু বৰদলৈৰ ঘৰৰ মৰমে তেওঁক এনেকৈ মুহি পেলালে যে তেওঁ আৰু নিজৰ পতিগৃহলৈ উভতি নগ’ল আৰু লাগি-যাচি বেলেগ ছোৱালীৰ লগত পতিৰ বিয়া পাতি দিয়ালে। শেহলৈ ‘মাজুবাপা’ গোপীনাথৰ সেৱাত পুৰীবায়ে এনেকৈ নিজক নিমগ্ন কৰিলে যে ‘মাজুবাপা’ৰ সুখ আৰু আনন্দই যেন তেওঁৰ জাৱনৰ একমাত্ৰ ব্ৰত হৈ পৰিছিল। এই গৰাকী নাৰীৰ প্ৰতিও বৰদলৈৰ মনত অগাধ মৌন শ্ৰদ্ধা আছিল।” | </p> |
| <p> | “বৰদলৈৰ গাত গান্ধীজীৰ প্ৰভাৱ পূৰ্ণমাত্ৰাই পৰিছিল। তেওঁৰ মতে- ‘মেটৰ আৰু মন্ত্ৰী এজনৰ মাজত কোনো প্ৰভেদ নাই; মন্ত্ৰী এজনৰ দেশৰ প্ৰতি যি দায়িত্ব আছে তাৰ তুলনাত মেটৰ এজনে পালন কৰিব লগা দায়িত্বৰ গুৰুত্ব কোনো ৰকমে কম নহয়।’ | </p> |
| <p> | “জীৱনৰ শেষ বয়সত বৰদলৈয়ে সঙ্কটময় ৰাজনীতিবিলাক ত্যাগ কৰিবলৈ সদায় বিচাৰিছিল। বাৰে বেৰে তেখেতে ভাৰতৰ উপ-প্ৰধানমন্ত্ৰী চৰ্দাৰ পেটেলক জনাইছিল- তেওঁৰ ঠাইত আনক নিযুক্ত কৰিবলৈ; কিন্তু চৰ্দাৰ পেটেলে বৰদলৈক বাদ দি কোনো দিনেই অসমৰ কথা ভাবিব নোৱাৰিছিল। বৰদলৈয়ে সদায় কৈছিল যে তেখেতৰ শেষ বয়সখিনি জনজাতিসকলৰ মাজত কটাব খোজে। কিন্তু কাল নিয়তিয়ে জানো মানুহৰ ইচ্ছা পূৰণ হ’বলৈ দিয়ে? | </p> |
| <p> | ‘দেশে বৰদলৈক কোনো দিনেই পাহৰিব নোৱাৰে। বৰদলৈৰ কল্পনা আছিল- স্বাধীন ভাৰতত এখন মনোৰম অসম গঢ়া; আৰু সেই মনোৰম অসম গঢ়িবৰ বাবে তেওঁ তেওঁৰ গোটেই কৰ্মশক্তিকে প্ৰয়োগ কৰিছিল। ’৪২ চনৰ পিছত জেলৰপৰা ওলায়ে বোকা-পানীয়ে গাঁৱে-ভূঁয়ে | </p> |

| | | |
|---|---|---|
| | ফুৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ বাবে পুঁজি সংগ্ৰহত যি পাৰদৰ্শিতা দেখুৱালে ভাবিলে আচৰিত হব লাগে। তেওঁ দুখক দুখ নুবুলি, কষ্টক কষ্ট যেন নাভাবি বিশ্ববিদ্যালয়ৰ কাৰণে আশাতীতভাৱে পুঁজি সংগ্ৰহ কৰিলে। ফলত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভেটি স্থাপন হ'ল। সেইবাবে তেওঁক গুৱাহাটী বিশ্ববিদ্যালয়ৰ পিতা বুলি ক'ব পাৰি। | |
| <p> | “বৰদলৈৰ জীৱনৰ প্ৰতিটো ক্ষণ নিৰ্দিষ্ট কাৰ্য্যক্ৰম অনুসৰি পৰিচালিত হৈছিল। তাৰ মাজতে অহা কোনো প্ৰকাৰৰ বাধাই কোনো দিনে তাক বাধাগ্ৰস্ত কৰিব পৰা নাছিল। জেল জীৱনতো তেওঁ তাৰ উপযুক্ত এক কাৰ্য্যসুচীৰে দিনবোৰ অতিবাহিত কৰিছিল। নিচেই পুৱাতে ধৰ্মগ্ৰন্থ পাঠ, তাৰ পিছত সূতা কটা, কিতাপ পঢ়া, কিতাপ লিখা, ৰাজনৈতিক বিষয় আলোচনা কৰা আৰু খেলধেমালি তেওঁৰ দিনটোৰ কৰ্মসূচী আছিল। | </p> |
| <p> | আজিৰ আমাৰ দেশৰ তথাকথিত কৰ্ণধাৰ সকলৰ অদূৰদৰ্শিতাপূৰ্ণ দেশ শাসনৰ ব্যৱস্থা আৰু তাৰ ফলত দেশ জুৰি হোৱা অন্যায়, অত্যাচাৰ আৰু অশান্তিবোৰ দেখি বৰদলৈৰ কথা মনত পৰিছে-। তেখেতে এঠাইত লিখিছে- “আমাৰ দেশৰ বহুত নেতাই বিভিন্ন দেশৰ আদৰ্শৰ ওপৰত প্ৰতিষ্ঠিত বিভিন্ন শাসন পদ্ধতিৰ বিষয়ে অজ্ঞ। ই বিলাকেনো গণপৰিষদত বহি কিদৰে আমাৰ ভাগ্য নিৰ্ণয় কৰিব? আমি ইমান দুখীয়া!” বৰদলৈয়ে অনুভৱ কৰিছিল যে অসমৰ এই নেতাসকলে কিতাপ নপঢ়ে যাৰ ফলত তেওঁলোকৰ জ্ঞান বুদ্ধি সকলো সীমিত হৈ ৰয়। বৰদলৈৰ ভায়েকৰপৰা জানিব পৰা যায় কেনেকৈ তেওঁ নিয়মিতভাৱে কিতাপ নি পঢ়িছিল।- কেৱল পঢ়াই নহয়, সেইবোৰক দেশৰ উঠি অহাসকলৰ বাবে নিজে গ্ৰন্থ আকাৰে অৱদান দি গৈছিল। তাৰ ফলতেই আমি তেখেতৰ কলমপৰা ওলোৱা ‘প্ৰভু শ্ৰীৰামচন্দ্ৰ’, ‘বুদ্ধদেৱ’, ‘মহম্মদ ৰচুল’, ‘যীশুখ্ৰীষ্ট’, অনাসক্তি যোগ’ (অনুবাদ) আৰু ‘তৰুণৰাম ফুকন আৰু তেখেতৰ সম্বন্ধে যি জানো’ আদি কিতাপ আৰু অসংখ্য প্ৰবন্ধ-পাতি পাওঁ। | </p> |
| <p> | “মোহন গামৰ কথা নজনা লোক লক্ষীমপুৰত নাই। অনেক পো-নাতি। বিৰাট পৰিয়াল। এদিনাখন সেই মোহন গামে পো-পাতি, লগুৱা- | </p> |

| | | |
|---|---|---|
| | লিকচৌ লৈ আহি ১৯২১ চনৰ অসহযোগ আন্দোলনৰ সময়ত কৈছিল, ‘মই লক্ষীমপুৰৰ ৰজা’। ফিৰিঙি চাহাবে আসন এৰি দি কিছুদিনলৈ হ’লৈও যাব লগা হৈছিল। কিন্তু আজি মোহন গামৰ পৰিয়াল ক’ত? তেওঁলোকৰ চিনাকি দিবলৈ কোন ক’ত আছে? আটায়ে সোৱণশিৰিৰ বুকুত জাহ গ’ল। | |
| <p> | “বোপাই! জনাবিলাকৰ ভিতৰত ইথিনি। আৰু যে পৰ্বত কন্দৰৰ মাজত ক’ত কিমান জাহ গ’ল খবৰ কোনে ৰাখে অ’? সোৱণশিৰীৰ পূবপাৰে গাঁৱে ভৰি আছিল- আজি তাত এজনো মানুহ নাই- কেৱল পানীহে পানী। সিপাৰৰপৰা কোনোবা মিলিৰামে ৰিঙিয়াই- ‘মই মিলিৰাম ঔ-নেহি!’ কিন্তু হায় কোনে কাক নিব; কোনে বা শুনিব! স্বয়ং অসমৰ ৰাজ্যপাল মাজ-আলিতে মটৰসহ বুৰ গ’ল। মন্ত্ৰী অমিয়কুমাৰ দাস তিনি মাইল সাঁতুৰি আহি ৰক্ষা পৰিল। লগৰ ছয়োজনে তাতেই চিৰদিনৰ কাৰণে মেলানি মাগিলে। সমাজসেৱী জীৱন ফুকন সাহায্যৰ কামত গৈ আৰু আহি নাপালে। দেশৰ বাতৰি আৰু কিমান ক’ম বোপাই!” | </p> |
| <p> | বৰদলৈ ককায়েকে তেওঁলোকৰ অন্তৰ জয় কৰিছিল, তেওঁলোকৰ অন্তৰত সোমাই গৈছিল। আমাৰ পৰা বৃটিছে কূট-কৌশলেৰে আঁতৰাই ৰখা আমাৰেই জ্ঞাতি-ভাই পাহাৰীসকলক তেওঁ নিজৰ মাজলৈ আনিবলৈ বিচাৰিছিল। সেই বাবেই ১৯৪৬ চনত মন্ত্ৰী-মিছনৰ আগতো কৈছিল যে পৰ্বতীয়া ভাইসকল একে তেজ-মঙ্গহেৰে গঢ়া। তেওঁলোকক বৰ্ত্তমানত ৰখাৰ দৰে ফালি নৰাখি অসমৰ লগতেই এক শাসনৰ তললৈ আনিব লাগিব। সম্ভতঃ পৰ্বতীয়া ভাইসকলৰ প্ৰাণৰ কথা বুজা বৰদলৈৰ বাহিৰে দ্বিতীয়জন লোক আৰু নোলাব। সেই বাবেহে তেওঁৰ মৃত্যুত চৰ্দাৰ পেটেলে ক’লে- ‘বৰদলৈক বাদ দি অসমৰ কথা ভাবিবই নোৱাৰি। আজি দুবছৰৰপৰা তেখেতে তেখেতৰ কান্ধৰ ভাৰ শাৰীৰিক অসুস্থতাৰ কাৰণে নমাই থব খুজিছিল কিন্তি মোৰ অনুৰোধতহে বাৰে বাৰে তেওঁ সেই ভাৰ হাঁহি মুখে বহন কৰি আহিছিল। বৰদলৈৰ সমকক্ষ লোক ওলোৱাতো আৰু মই ভাবিবই নোৱাৰোঁ।’ | </p> |
| <p> | “উগ্ৰ ৰক্তচাপ বেমাৰৰ কাৰণে যেতিয়াই পৰিয়ালৰ কোনোবাই তেওঁক | </p> |

| | | |
|---|---|---|
| | কাম কমাবলৈ উপদেশ দিছিল– তেনে সময়ত বৰদলৈদেৱৰ এটাই উত্তৰ আছিল– ‘মই কাম কৰিবলৈহে জীয়াই আছোঁ। কাম নহলে মই জীয়ায়ে নাথাকিম।’ তেখেতে মন্ত্ৰিত্বৰ বাব এৰি জনজাতিৰ সেৱাতে বাকীখিনি জীৱন কটাব খুজিছিল। কিন্তু সঁচাকৈ পেটেলে বৰদলৈক বাদ দি অসমৰ শাসনৰ বাঘজৰী ডাল আন কাকো দিয়াৰ কল্পনাই কৰিব নোৱাৰিছিল। | |
| <p> | কংগ্ৰেছৰ প্ৰস্তাৱৰ শেষৰ দফাত স্পষ্টভাৱে উল্লেখ আছিল যে কোনো ৰাজ্যকে জনসাধাৰণৰ ইচ্ছাৰ বিৰুদ্ধে সংবিধান গ্ৰহণ কৰিবলৈ বাধ্য কৰোৱা নহয়। “মই আপোনাক সেই বিষয়েই ক’ব খুজিছিলোঁ”– বৰদলৈয়ে আকৌ আৰম্ভ কৰিলে, “প্ৰস্তাৱটোত সেইটোৱেই আমাৰ বাবে আশাৰ থলি, তাৰ ওপৰতে নিৰ্ভৰ কৰি অসমবাসীয়ে আশা-নিৰাশাৰ দোমোজাত কাল কটাইছে।” | </p> |
| <p> | “তেন্তে আপনাৰ দুৰ্ভাৱনা কিয়?”– মই সুধিলোঁ। | </p> |
| <p> | “মোৰ দুৰ্ভাৱনা কিয়? ” বৰদলৈ বিস্মিতভাবে ক’লে–“আপুনি বুজা নাই। প্ৰস্তাৱটোৰ যোগে গ্ৰুপিঙক সমৰ্থন জনোৱা হৈছে আৰু এবাৰ যদি আমি বিভক্ত হওঁ– মূৰকত আমি মুছলিম লীগৰ দয়াৰ ওপৰত কাল কটাবলগীয়া হ’ব।” | </p> |
| <p> | “তেনে অৱস্থাত প্ৰস্তাৱৰ শেষ দফাৰ কিবা সাৰ্থকতা আছে জানো?” মই সুধিলোঁ। বৰদলৈয়ে মূৰ দুপিয়াই উত্তৰ দিলে– “সেইটোৱেই আটাইতকৈ বেমেজালিৰ কথা।” প্ৰকাৰান্তে তেওঁ প্ৰস্তাৱৰ বিৰোধিতাকে কৰিলে। | </p> |
| <p> | “যিয়েই কি নহওক, আপোনালোককতো স্বাৰ নিৰ্ণয় কৰাৰ সুবিধা দিয়া হৈছে। মই পৰামৰ্শ দিলোঁ।” | </p> |
| <p> | “হয়তো হৈছে, কিন্তু মই গাই-বাই ফুৰাৰ বাহিৰ আৰু কি হ’ব।” তেওঁ হতাশা ব্যঞ্জক সুৰেৰে ক’লে | </p> |
| <p> | গতিকে মই পুনৰ জোৰ দি সুধিলোঁ– “আপোনাৰ যেতিয়া সংবিধানৰ সৈতে ৰাহি নাহে, কিয় প্ৰতিবাদ কৰিব নোৱাৰিব!” | </p> |
| <p> | “সেইটোৱেই অসুবিধা” বৰদলৈয়ে আৰম্ভ কৰিলে– “কাৰণ নিৰ্বাচন হৈ যোৱাৰ পাছতহে সেউ কাম কৰিব পৰা যাব।” | </p> |

</body></text></Doc>